পাঠ-৫

# এই পৃথিবীৰ বাবে ঈশ্বৰৰ উদ্দেশ্য কি?

*যিহোৱাই কিয় পৃথিৱীখন সৃষ্টি কৰিলে?* (১, ২)

*এতিয়া পৃথিৱীখন কিয় পৰমদেশত নাই?* (৩)

*দুষ্ট মানুহবিলাকৰ কি হব?* (৪)

*ভবিষ্যতে যীচুৱে ৰোগী? বৃদ্ধসকল? মৃত্যুৰ? কাৰণে কি কৰিব?* (৫, ৬)

*আহিব লগীয়া ভবিষ্যতৰ আশীৰ্ব্বাদবিলাক পাবলৈ হলে আপুনাক কি কৰা আৱশ্যক?* (৭)

১. যিহোৱাই পৃথিৱীখন সৃষ্টি কৰিছিল যাতে মানবজাতীয়ে চিৰকাললৈকে সুখভোগ কৰি জীয়াই থাকিব পাৰে। তেওঁ বিচাৰিছিল যে পৃথিৱীখনত সদায় ধাৰ্মিক আৰু সুখী লোকে বসবাস কৰক। (গীতমালা ১১৫:১৬; যিচয়া ৪৫:১৮) পৃথিৱীখন যাতে কেতিয়াও ধ্বংস নহয়, কিন্তু চিৰকাললৈকে স্থিৰ থাকে।—গীতমালা ১০৪:৫; উপদেশক ১:৪.



পৰমদেশ হেৰুৱালে

২. মানুহক সৃষ্টি কৰা আগেয়ে তেওঁ পৃথিবীৰ এটা সৰু অংশ বাচি ললে আৰু তাক সুন্দৰ পৰমদেশলৈ পৰিণত কৰিলে। তেওঁ সেই ঠাই ডোখৰক এদন বাগিছা বুলি কৈছিল। সেই ঠাইতে তেওঁ প্ৰথম পুৰুষ আদম আৰু তিৰোতা হাৱাক ৰাখিছিল। ঈশ্বৰৰ উদ্দেশ্য আছিল যে তেওঁলোকৰ সন্তান হওঁক আৰু গোটেই পৃথিবীত ভৰি যাওঁক। ক্ৰমে তেওঁলোক গোটেই পৃথিৱীখনক পৰমদেশলৈ পৰিণত কৰিব পাৰিলেহেঁতেন।—আদিপুস্তক ১:২৮; ২:৮, ১৫.

৩. আদম আৰু হাৱাই স্বইচ্ছাৰে ঈশ্বৰৰ আজ্ঞা উলংঘন কৰি পাপ কৰিলে। গতিকে যিহোৱাই তেওঁলোকক এদন বাগিছাৰ পৰা উলিয়াই পঠালে। এইদৰে তেওঁলোকে পৰমদেশও হেৰোৱালে। (আদিপুস্তক ৩:১-৬, ২৩) কিন্তু এই পৃথিবীৰ বাবে কৰা প্ৰতিজ্ঞা যিহোৱাই পাহৰি যোৱা নাছিল। তেওঁ প্ৰতিজ্ঞা কৰিছিল যে পৃথিৱীখনক আকৌ পৰমদেশলৈ পৰিণত কৰিব য'ত মানবজাতীয়ে চিৰকাললৈকে জীয়াই থাকিব। এইটো তেওঁ কেনেকৈ কৰিব?—গীতমালা ৩৭:২৯.

৪. এই পৃথিৱীখনক পৰমদেশলৈ পৰিণত কৰাৰ আগতে, দুষ্টলোক উচ্ছন্ন হোৱা উচিত। (গীতমালা ৩৭:৩৮) এইটো হৰমাগিদোনতে সম্ভৱ হব যিটো হৈছে ঈশ্বৰৰ যুদ্ধ য'ত অধৰ্ম্মক উচ্ছন্ন কৰা যাব। তাৰ পাছত চয়তানক ১০০০ বছৰৰ কাৰণে চয়তানক বন্দিশালত ৰখা হব। তাৰ মানে পৃথিৱীখনক বেয়ালৈ পৰিণত কৰিবলৈ কোনো দুষ্ট আৰু নাথাকিব। কেৱল

ঈশ্বৰৰ লোকবিলাক হে উদ্ধাৰ পাব।—প্ৰকাশিত বাক্য ১৬:১৪, ১৬; ২০:১-৩.

৫. তেতিয়া যীচু খ্ৰীষ্ট ৰজা হৈ গোটেই পৃথিৱীৰ ওপৰত ১০০০ বছৰ শাসন কৰিব। (প্ৰকাশিত বাক্য ২০:৬) ক্ৰমে তেওঁ মানুহৰ মনৰ আৰু শৰীৰৰ পৰা পাপবোৰ গুচাই পেলাব। তেতিয়া সকলো সিদ্ধ মানবলৈ পৰিণত হম যেনেকৈ আদম আৰু হাৱা পাপ কৰা আগতে আছিল। তেতিয়া কোনো ৰোগী, বৃদ্ধ অৱস্থা আৰু মৃত্যু নাথাকিব। ৰোগীবোৰ সুস্থ হব আৰু বৃদ্ধ বিলাকে পুনৰায় যৌৱন অৱস্থা পাব।—ইয়োব ৩৩:২৫; যিচয়া ৩৩:২৪; প্ৰকাশিত ২১:৩, ৪.

৬. যীচুৱে শাসন কৰা এহাজাৰ বছৰৰ কালছোৱাত বিশ্বাসী মানুহবিলাকে সমূদায় পৃথিৱীখন পৰমদেশলৈ পৰিণত কৰিবলৈ কাম কৰিব। (লুক ২৩:৪৩) লাখ লাখ মৃত্য ব্যক্তিক এই পৃথিৱীত মানৱ জীৱনৰ কাৰণে পুনৰুত্থান কৰা হব। (পাঁচনি কৰ্ম্ম ২৪:১৫) যদি তেওঁলোকে ঈশ্বৰৰ ইচ্ছা অনুসাৰে কাম কৰে তেন্তে চিৰকাললৈকে এই পৃথিৱীত জীয়াই থাকিব। যদি নকৰে তেন্তে তেওঁলোকক চিৰকাললৈ ধ্বংস কৰা হব।—যোহন ৫:২৮, ২৯; প্ৰকাশিত বাক্য ২০:১১-১৫.

৭. ঈশ্বৰৰ প্ৰকৃত উদ্দেশ্য এনেদৰে পৃথিৱীত কৃতকাৰ্য্য হব। আপুনি ভৱিষ্যতে অহা আৰ্শীৰ্ব্বাদসমূহত সহভাগিতা হবলৈ বিচাৰিব নে? যদি বিচাৰে তেন্তে যিহোৱাৰ বিষয়ে আৰু তেওঁৰ আৱশ্যকীয় ব্যৱস্থা বিলাক মানি চলিবলৈ আপুনি শিকিবৰ প্ৰয়োজন। যিহোৱাৰ সাক্ষীবিলাকৰ স্থানীয় ৰাজ্য চ'ৰাৰ সভাত উপস্থিত হলে, তাতে তেওঁলোকে আপুনাক তেনে কৰাত সহায় কৰিব।—যিচয়া ১১:৯; ইব্ৰী ১০:২৪, ২৫.



*হৰমাগিদোনৰ পাছত পৃথিৱীখনক পৰমদেশলৈ ৰূপান্তৰিত কৰা হব*

